1 mon ব্যাকৰণৰ কাৰ্যক্ষেত্ৰ অতি সীমিত। ই কেৱলমাত্ৰ এটা বা দুটা বিশেষ ভাষাৰ গঠন প্ৰণালী সম্পৰ্কে আলোচনা কৰে আৰু ভাষাৰ ব্যৱহাৰিক দিশটোৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়ে। কিন্তু ভাষাবিজ্ঞানৰ পৰিসৰ বিস্তৃত। ভাষাৰ জন্ম, ভাষাৰ উপাদান আৰু প্ৰকৃতি ইত্যাদিক বিশেষি ভাষা নিৰপেক্ষ ভাৱে অৰ্থাৎ ভাষাৰ সামগ্ৰিক দিশৰ ওপৰত ভাষাবিজ্ঞানে পৰ্যালোচনা চলায়। ব্যাকৰণে ভাষাৰ উপভাষাৰ বৈশিষ্ট্য সম্পৰ্কে খুব নাঘমায়। ভাষা বিজ্ঞানৰ দৃষ্টিত
2 tue কিন্তু সকলো উপভাষাৰে তাত্ত্বিক মৰ্যদা সমান। ব্যাকৰণসকলে লিখিত সাহিত্য ৰূপটোৰ বিশ্লেষণতে সীমাবদ্ধ হৈ থাকে। ফলত প্ৰকৃত অৰ্থত ভাষাটোৰ এটা ৰূপৰ বিশ্লেষণহে কৰে, * আঞ্চলিক ভাষা ৰূপৰ নকৰে।

অসমীয়া ভাষাৰ ব্যাকৰণ প্ৰণেতা সকলে সাধাৰণতে অসমীয়া ব্যাকৰণ লিখোঁতে সংস্কৃত ব্যাকৰণৰ আৰ্হি লৈ লিখিছিল। কিন্তু অসমীয়া ভাষা সংস্কৃত ভাষাৰ নিচিনা নহয়। দুয়োৰ
3 wed গঠন প্ৰণালী একেবাৰে ভিন্ন। পোনপ্ৰথমে খ্ৰীষ্টিয়ান মিছনেৰী বা ইউৰোপীয় পণ্ডিতৰ হাতত অসমীয়া ভাষাৰ ব্যাকৰণ ৰচিত হোৱাত এই ব্যাকৰণবোৰত ইংৰাজীৰ আৰ্হি দেখা গৈছে। আমাৰ দেশীয় ব্যাকৰণকাৰ সকলৰ দেশী ভাষাত ৰচিত ব্যাকৰণত ইংৰাজী আৰু সংস্কৃত এই দুয়োটাৰে সংমিশ্ৰণ অতি স্পষ্ট।

অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাই প্ৰথমে অসমীয়া ভাষাত 'অসমীয়া ভাষাৰ ব্যাকৰণ' এখন ৰচনা কৰে। অসমীয়া ব্যাকৰণৰ বৰ্ণনা, আখৰ জোঁটনি, লিঙ্গবিধি, ষত্ববিধি আৰু সন্ধি সমাস আদিৰ আলোচনা এই ব্যাকৰণখনত কৰিছে। উল্লেখযোগ্য যে হেমচন্দ্ৰ বৰুৱাই ব্যাকৰণখন লিখাৰ

July 2005

| Sun | Mon | Tue | Wed | Thu | Fri | Sat |
|---|---|---|---|---|---|---|
| | | | | | 1 | 2 |
| 3 | 4 | 5 | 6 | 7 | 8 | 9 |
| 10 | 11 | 12 | 13 | 14 | 15 | 16 |
| 17 | 18 | 19 | 20 | 21 | 22 | 23 |
| 24 | 25 | 26 | 27 | 28 | 29 | 30 |